# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-12-2024
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যত হ'বলগীয়া অসম বিনিয়োগকাৰী আৰু আন্তঃগাথনি সন্মিলনৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আমন্ত্ৰণ।

২। কাইলৈৰ পৰা ৰাজ্যত ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱৰ প্ৰস্তুতি সম্পন্ন।

৩। আই আই টি গুৱাহাটীত চলি থকা ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ এছ সোমনাথৰ অংশগ্ৰহণ।

৪। বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি ৰাজ্যজুৰি অসম দিৱস পালন। *আৰু*

৫। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত কাইলৈৰ পৰা গুৱাহাটী মাষ্টাৰ্ছ হাণ্ড্ৰেদ ২০২৪ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা। ভাৰতীয় দলত অসমৰ ৩ খেলুৱৈৰ স্থান লাভ।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যত চলি থকা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী সন্দৰ্ভত বৈঠকত অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্যত হ'বলগীয়া অসম বিনিয়োগকাৰী আৰু আন্তঃগাথনি সন্মিলনৰ লগতে ঝুমুৰ নৃত্য প্ৰদৰ্শন অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীৰ এই আমন্ত্ৰণ গ্ৰহণ কৰি শ্ৰীমোদীয়ে অনুষ্ঠানত উপস্থিত থকাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে ডং শৰ্মাই অসমত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা উন্নয়নমূলক পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে দিল্লীত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলক সাক্ষাৎ কৰি ৰাজ্যত ৰূপায়ণ হৈ থকা জলজীৱন মিছন আঁচনি সন্দৰ্ভত আলোচনা কৰে। সাক্ষাৎকালত ডং শৰ্মাই ৰাজ্যত ৮০ শতাংশতকৈ অধিক নলযোগে ঘৰে ঘৰে খোৱাপানী যোগান কাৰ্যসূচী ৰূপায়ণ হৈ আছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। অসমত জল জীৱন মিছন আঁচনিৰ লক্ষ্যপ্ৰাপ্তিত মন্ত্ৰালয়ে সহায় কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ডং শৰ্মাক আশ্বাস দিয়ে।

০০০০

সমগ্ৰ অসমত কাইলৈৰ পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা

হৈছে। এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ মিছন সঞ্চালক ডাঃ লক্ষ্মনন এছে এইদৰে কয় ঃ

**ভইছ**

**কামৰূপ** মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰত এই কাৰ্যসূচী অনুষ্ঠিত হব। মহানগৰীৰ এখন জিলা চিকিৎসালয়, এটা সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, দুখন প্ৰাথমিক চিকিৎসা কেন্দ্ৰ আৰু ৪৭ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উপৰি ৫ টা উপ স্বাস্থ্য কেন্দ্ৰ আয়ুষ্মান আৰোগ্য মন্দিৰক সামৰি এই মূল্যায়ন কৰা হব।

ৰাজ্যৰ অন্যান্য জিলাসমূহৰ দৰে **মাজুলীত** ১৬ টা স্বাস্থ্য কেন্দ্ৰ সামৰি এই স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। **শিৱসাগৰ** জিলাৰ মুঠ ৪৫ খন চিকিৎসালয়ত এই স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। এই উৎসৱত স্বাস্থ্য সেৱাৰ আন্তঃগাথনি, পৰিষ্কাৰ পৰিচ্ছন্নতা, চিকিৎসালয়ত সংক্ৰমন নিয়ন্ত্ৰণ আৰু ৰোগীক প্ৰদান কৰা সেৱা মূল্যায়ন কৰা হ'ব। জিলাখনৰ  এখন চিকিৎসালয়, এখন মহকুমা চিকিৎসালয়, ৪ টা সামুহিক স্বাস্থ্য কেন্দ্ৰকে ধৰি ৪৫ টা স্বাস্থ্য সেৱা প্ৰতিষ্ঠানত এই মূল্যায়ন কৰা হ'ব। **তিনিচুকীয়া** জিলাৰ চাহ বাগিছা অঞ্চলৰ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত স্থাপিত ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠানত এই কাৰ্যসূচী লোৱা হ'ব। প্ৰতিটো স্বাস্থ্য কেন্দ্ৰত ৰোগীক স্বাস্থ্য সেৱা  প্ৰদানৰ উপযুক্ত সুবিধা আছে নে নাই সেই বিষয়ে চালি জাৰি  চোৱা হ'ব। **গোলাঘাট** জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়ত এই মূল্যায়ন কাৰ্যসূচী লোৱা হ'ব। চিকিৎসালয়সমূহৰ সা-সুবিধা সম্পৰ্কে ৪৮ গৰাকী বহিঃমূল্যায়নকাৰীয়ে মূল্যায়ন কৰিব। **চৰাইদেউ** জিলাত মুঠ ৩৮ টা চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়ত কাইলৈৰ পৰা হ'বলগীয়া স্বাস্থ্য সেৱা উৎসৱৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই কাৰ্যসূচীত ৫০ জন জিলা পৰ্যায়ৰ বিষয়া আৰু **তেজপুৰ** চিকিৎসা মহাবিদ্যালয়ৰ ১৭ গৰাকী চিকিৎসকে বহিঃমূল্যায়ক হিচাপে অংশ লব।

**বঙাইগাওঁ** জিলাৰ ২৯ খন স্বাস্থ্যকেন্দ্ৰত বিশেষজ্ঞৰ দলে স্বাস্থ্য সেৱাৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি স্বাস্থ্য সেৱাৰ মান নিৰ্ধাৰণ কৰিব। **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়ত মূল্যায়ন কৰা হ'ব। প্ৰথমবাৰৰ বাবে জিলাখনৰ ১১ খন চাহ বাগিছাৰ চিকিৎসালয়ৰ এই মূল্যায়ন কৰা হ'ব। **নলবাৰী** জিলাৰ ৫৮ খন বিভিন্ন পৰ্যায়ৰ চিকিৎসালয়ত এই কাৰ্যসূচী লোৱা হব। **দক্ষিণ শালমাৰা মানকাছৰ** জিলাৰ হাতশিঙিমাৰীত ১৭ টা স্বাস্থ্যকেন্দ্ৰত স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। হাতশিঙিমাৰী জিলা চিকিৎসালয়কে ধৰি অন্য ১৬ টা স্বাস্থ্য কেন্দ্ৰত এই কাৰ্যসূচী লোৱা হ'ব। **মৰিগাওঁ** জিলাতো স্বাস্থ্য সেৱা উৎসৱ উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে।

০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ

এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠানত চলি থকা ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ আজি তৃতীয় দিনটোত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ তথা বিশিষ্ট বিজ্ঞানী এছ সোমনাথে অংশ লৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান আৰু প্ৰযুক্তিৰ পথ প্ৰদৰ্শক বুলি মন্তব্য কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি শিক্ষাৰ্থীসকলক বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত কেৰিয়াৰ অন্বেষণ কৰিবলৈ আৰু মহাকাশ গৱেষণাৰ ক্ষেত্ৰত উদ্ভাৱনেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। এই মহোৎসৱৰ দ্বিতীয় আৰু তৃতীয় দিনটোত অন্যান্য বিষয়ৰ লগতে প্ৰযুক্তি, কৃষি, স্বাস্থ্য সেৱাৰ লগতে প্ৰযুক্তি হস্তান্তৰ বুজাবুজি চুক্তি সন্দৰ্ভত অধিবেশন অনুষ্ঠিত হয়। বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ দ্বাৰা আয়োজিত এই অনুষ্ঠানত ২০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই মহোৎসৱত চি এছ আই আৰ এ বহনক্ষমতা আৰু প্ৰযুক্তিগত অগ্ৰগতিৰ বাবে ৩ টা প্ৰযুক্তি স্থানান্তৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ সন্দৰ্ভত বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ সচিব লয়া মাদুৰীয়ে আকাশবাণীৰ আগত এনেদৰে কয় ঃ

**ভইছ**

০০০০

আজি অসম দিৱস। বৰ অসমৰ ভেঁটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচীৰে অসম দিৱস পালন কৰা হয়। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামক্ষেত্ৰত দিনজোৰা কাৰ্যসূচীৰে অসম দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰীবৰাই কয়, যে আহোম ৰাজত্বৰ সোণসেৰীয়া ঐতিহ্যৰ সাক্ষী চৰাইদেউ আৰু মৈদামসমূহ কেৱল অসমৰেই নহয় বৰং দেশৰ সম্পদ হিচাপে পৰিগণিত হৈছে।

**বাইট (বিমল বৰা)**

অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম দিৱসৰ ক্ষণত আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতাগৰাকীলৈ শ্ৰদ্ধা জনায়। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয়, যে অসমীয়া জাতিৰ ৰূপৰেখা আঁকি স্বৰ্গদেউ চ্যুকাফাই অসম ভূমিক প্ৰাণৱন্ত কৰি তুলিছিল। সবল নেতৃত্ব, বিচক্ষণতা তথা দূৰদৰ্শী সিদ্ধান্ত গ্ৰহণেৰে চ্যুকাফাই অসমীয়া জাতিক মহীয়ান কৰি যোৱা সোণসেৰীয়া সময়ক ভিত্তি কৰি উত্তৰ প্ৰজন্মই অধ্যয়ন আৰু গৱেষণাৰ মাধ্যমেৰে নতুন বাট মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নতুন দিল্লীৰ নিজা বাসভৱনত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ আদৰ্শ আৰু কৰ্ম কুশলতা যুগে যুগে বন্দিত হৈ থাকিব। সাত ৰাজ সামৰি এক ৰাজ কৰি চ্যুকাফাই এখন সৰ্বাংগসুন্দৰ সমাজ গঢ়াৰ পথ প্ৰশস্ত কৰি থৈ গৈছে বুলি শ্ৰীসোণোৱালে উল্লেখ কৰে।

সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু গোলাঘাট জিলা সমিতি আৰু কাজিৰঙা আঞ্চলিক সমিতিৰ সহযোগত কাজিৰঙাত আজি অসম দিৱস পালন কৰা হয়। এই উপলক্ষে পতাকা উত্তোলন, মৈদাম তৰ্পণ, বন্তি প্ৰজ্বলনৰ লগতে সদৌ অসম ভিত্তিত মাৰাথন প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা আৰু তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়।

শিৱসাগৰতো চ্যুকাফা ফাউণ্ডেচনৰ উদ্যোগত অসম দিৱস পালন কৰা হয়। অনুষ্ঠানত লোক সংস্কৃতিৰ গৱেষক তথা সমাজকৰ্মী মিনেশ্বৰ গগৈক ডামচাও অশ্চিনী চেতিয়া সোঁৱৰণী যুৱ প্ৰতিভাৱান বঁটা ২০২৪ প্ৰদান কৰা হয়।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৫ জন লোক কুষ্ঠ ৰোগত আক্ৰান্ত হোৱা বুলি চিনাক্ত কৰা হৈছে। কুষ্ঠ ৰোগ সম্পূৰ্ণভাৱে নিৰ্মুল কৰাৰ বাবে দেশৰ প্ৰায় ৫ শতাধিক জিলা ২০ নৱেম্বৰৰ পৰা  ঘৰে ঘৰে গৈ চলোৱা কুষ্ঠৰোগ চিনাক্তকৰণ অভিযানকালত সুখচৰৰ খোপাতিয়া এলেকাৰ একেখন গাওঁত ৫ জনকৈ লোকৰ দেহত কুষ্ঠৰোগৰ ভাইৰাছ ধৰা পৰিছে। এই তথ্য লাভ কৰাৰ লগে লগে হাতশিঙিমাৰীৰ জিলা বিভাগৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মীনা চৌধুৰী আৰু দুগৰাকী চিকিৎসকসহ ৫ জনীয়া স্বাস্থ্য কৰ্মীৰ দল এটাই খোপাতিয়া গাওঁত উপস্থিত হৈ ৰোগী কেইজনক পৰ্যবেক্ষণ কৰে। কুষ্ঠৰোগত আক্ৰান্ত লোককেইজনক বিনামুলীয়া চিকিৎসাৰ লগতে বিনামুলীয়া ঔষধ বিতৰণ কৰা হয়। উল্লেখযোগ্য যে ২০ নৱেম্বৰত আৰম্ভ হোৱা কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান ১৪ দিনৰ অন্তত কাইলৈ সমাপ্ত হ'ব। জিলাখনত মুঠ ৩৮৮ টা দলৰ জৰিয়তে মুঠ ৮৫৬ গৰাকী স্বাস্থ্য কৰ্মীয়ে প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে গৈ এই ৰোগ চিনাক্তকৰণৰ বাবে অভিযান চলায়। কুষ্ঠৰোগত আক্ৰান্ত ৰোগীসকলে আৰম্ভণিতে পৰ্যাপ্ত চিকিৎসা নাপালে লাহে লাহে ৰোগীজনে অধিক বিপদৰ সন্মুখীন হ'বলগীয়া হয় বুলি জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকগৰাকীয়ে জানিবলৈ দিছে।

০০০০

কাৰ্বি আংলং জিলাত অহা ৮ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি হাওৰাঘাট, মাঞ্জা, চকীহলা আৰু ডিফু নগৰ স্বাস্থ কেন্দ্ৰৰ অন্তৰ্গত ৬০০টা বুথ কেন্দ্ৰত জিলাখনৰ ৫ বছৰ বয়সৰ তলৰ ৯৪ হাজাৰ শিশুক প্ৰতিষেধক প্ৰদান কৰা হ'ব।

০০০০

গুৱাহাটীৰ সৰুসজাইৰ নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত কাইলৈৰ পৰা গুৱাহাটী মাষ্টাৰ্ছ হাণ্ড্ৰেদ ২০২৪ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ উদ্দেশ্যে ইতিমধ্যে বিশ্বৰ ২৩ খন দেশৰ পুৰুষ আৰু মহিলা শ্বাটলাৰসকল গুৱাহাটীত উপস্থিত হৈছে। এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে চীন আৰু

জাপানৰ খেলুৱৈ অংশগ্ৰহণ কৰিব। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰচিদে প্ৰকাশ কৰা অনুসৰি আয়োজক ভাৰতৰ পাছতে চীনৰ ৩২ জনীয়া দলটো প্ৰতিযোগিতাৰ সৰ্ববৃহৎ দল। প্ৰতিযোগিতাখনত ভাৰতীয় দলৰ হৈ অসমৰ ইশাৰাণী বৰুৱা, সুৰজ গোৱালা আৰু অৰিজিত চলিহাই কোৱালিফাইং মেচ খেলিব। প্ৰতিযোগিতাখনত পুৰুষ আৰু মহিলাৰ একক তথা ডাবলছৰ লগতে মিক্সড ডাবলছ শাখাতো খেল অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত ৪৬১ গৰাকী খেলুৱৈয়ে অংশ লব। অহা ৮ ডিচেম্বৰত প্ৰতিযোগিতাৰ অন্ত পৰিব।

০০০০

**ঃঃ সমাপ্ত ঃঃ**